# ৰ'দ-কাঁচলি






## অধ্যক্ষৰ একলম

অসমৰ হোজাই জিলাৰ উদালি বজাৰত অৱস্থিত আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয় ১৯৯৭ চনত স্থাপিত উচ্চ শিক্ষাৰ এক সুপৰিচিত প্ৰতিষ্ঠান। দুটা দশকতকৈ অধিক সময় ধৰি গ্ৰাম্য সংখ্যালঘু আৰু অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ শিক্ষাৰ্থীসকলক উচ্চ শিক্ষা প্ৰদান কৰি অহা মহাবিদ্যালয়খনে ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ অধীনত কলা শাখাৰ চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম (FYUGP)ৰ আৰম্ভণি কৰিছে। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশৰ বাবে নিয়মীয়াকৈ সাংস্কৃতিক, সাহিত্য আৰু ক্ৰীড়া কাৰ্য্যসূচীৰ লগতে কেৰিয়াৰ কাউন্সেলিঙৰ সুব্যৱস্থাও মহাবিদ্যালয়খনত বিদ্যমান। শেহতীয়াকৈ মহাবিদ্যালয়খন কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এটি অধ্যয়ন কেন্দ্ৰ হিচাপেও অনুমোদিত হৈছে, য'ত স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ সুবিধা আগবঢ়োৱা হৈছে। সমৰ্পিত শিক্ষক কৰ্মচাৰী আৰু অন্তৰ্ভুক্তি দৃষ্টিভংগীৰে আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ে অঞ্চলটোৰ শৈক্ষিক আৰু বৌদ্ধিক বিকাশত অৰিহণা যোগাই আহিছে। আজিৰ দ্ৰুত পৰিবৰ্ত্তন আৰু তীব্ৰ প্ৰতিযোগিতাৰ যুগত শৈক্ষিক উৎকৰ্ষ সাধানাৰ লগতে অমি ভৱিষ্যতৰ বাবে সকলো দিশতে নিজকে সাজু কৰি তুলিব লাগিব। সফলতাৰ বাবে প্ৰয়োজন এটা সামগ্ৰিক বিকাশ-পদ্ধতি য'ত অন্তৰ্ভুক্ত হয় ফলপ্ৰসু যোগাযোগ দক্ষতা, নৈতিক মূল্যবোধ, ইতিবাচক মনোভাৱ আৰু শৃংখলাবদ্ধ জীৱনশৈলী। কঠোৰ পৰিশ্ৰম, স্পষ্ট লক্ষ্য আৰু দৃঢ় নৈতিক আদৰ্শই হ'ব আমাৰ সফলতাৰ আধাৰ।

এএচবিচি মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা মই সকলো আগ্ৰহী শিক্ষাৰ্থীক আন্তৰিক স্বাগতম জনাইছোঁ। এই প্ৰতিষ্ঠানৰ অংশ হ'বলৈ উৎকৰ্ষৰ দিশেৰে, নতুন উচ্চতালৈ উদ্দেশ্যপূৰ্ণ তথা সফল ভৱিষ্যত গঢ়ি তুলিবলৈ প্ৰবল উদ্যমেৰে আগবাঢ়ি যোৱাৰ পথত ঈশ্বৰে আমাক শক্তি দিয়ক। জয়তু এ এচ বি চি মহাবিদ্যালয়।


## সম্পাদনা সমিতি

❖ উপদেষ্টাঃ *ড° লক্ষীনন্দ বৰদলৈ*

❖ সম্পাদকঃ *কোকিল ডেকা*

সহযোগী সম্পাদকঃ

- চাহাব উদ্দিন লস্কৰ
- দীপক বৰদলৈ

ডি.টি.পি.

আৰু অলংকৰণঃ *কোকিল ডেকা*

**প্ৰথম সংখ্যা, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ২০২৬**




## প্ৰয়াত জনশিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাৰ্ঘ্য

অসমৰ জাতীয় জীৱনত যিকেইগৰাকী চিৰনমস্য মহান শিল্পীয়ে স্বজাতিৰ সামূহিক উত্তৰণৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিছিল সেইসকলৰ ভিতৰত জুবিন গাৰ্গ এটি উজ্জ্বল নক্ষত্ৰ। ৪০,০০০ গীতত একেধাৰে কণ্ঠ নিগৰাই পৃথিবীৰ ভিতৰতে এক চমক সৃষ্টি কৰিবলৈ সক্ষম হোৱা জুবিন গাৰ্গে উত্তৰ পূবৰ সকলো ভাষাৰ লগতে হিন্দী আৰু ইংৰাজী ভাষাতো কণ্ঠদান কৰিছিল। অসমীয়া সংগীতৰ জগতখনৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ শাৰীতে জুবিন গাৰ্গৰো স্থান। অসমীয়া ভাষাৰ লগতে উত্তৰ-পূৰ্ববাঞ্চলৰ সকলো জনজাতীয় ভাষা, চুবুৰীয়া ৰাজ্যৰ ভাষাসমূহৰ গীততো কণ্ঠ নিগৰাইছিল। সংগীতৰ জগতখনৰ সমান্তৰালকৈ অসমৰ সামাজিক-সাংস্কৃতিক কিম্বা ৰাজনৈতিক যিকোনো পৰিস্থিতিতে নিৰ্ভীকতাৰে নিজৰ স্থিতি সদায়েই সৰলভাৱে প্ৰকাশ কৰি অহা জুবিন গাৰ্গৰ অকাল মৃত্যু অসমৰ জাতীয় জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি।

## ক্ষেত্ৰ অধ্যয়ন

২২ জানুৱাৰী, ২০২৫ : বাঁহৰ বিভিন্ন প্ৰজাতি চিনাক্তকৰণ বিষয়ক ক্ষেত্ৰ অধ্যয়নৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বৰজহা গাঁও স্থিত বাঁহৰ নাৰ্চাৰীলৈ লৈ যোৱা হয় ।




## বিনামূলীয়া স্বাস্থ্য পৰীক্ষা

১৮ ফেব্ৰুৱাৰী, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী সকলৰ মাজত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু স্বাস্থ্য সম্পৰ্কীয় এখনি সজাগতা অনুষ্ঠান অনুষ্ঠিত হয় । মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ মাজত ব্লাডপ্ৰেচাৰ, চুগাৰ ইত্যাদি পৰীক্ষা সম্পন্ন কৰা হয় ।




## শপত গ্ৰহণ অনুষ্ঠান

২০ ফেব্ৰুৱাৰী, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একা সভাৰ ২০২৫ বৰ্ষৰ নিৰ্বাচনৰ বিজয়ী সদস্যসকলক শপত বাক্য পাঠ কৰোৱা হয় ।




## ছাত্ৰ একতা সভাৰ সভাৰ নিৰ্বাচন ২০২৫

১৯ ফেব্ৰুৱাৰী, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২৫ বৰ্ষৰ নিৰ্বাচন অনুষ্ঠিত হয় । মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে নিকা আৰু স্বচ্ছতাৰে ভোটগ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে ।



# আন্তৰ্জাতিক মাতৃভাষা দিৱস-২০২৫ উদ্‌যাপন

২১ ফেব্ৰুৱাৰী, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন কৰা হয়। সভাত অসমীয়া বিভাগৰ অধ্যাপক সকলৰ লগতে দৰ্শন বিভাগ,ৰাজনীতি বিভাগ আৰু শিক্ষা বিভাগৰ অধ্যাপক ক্ৰমে দীপক বৰদলৈ, চাহজাহান আলী আৰু নজৰুল ইছলাম উপস্থিত থাকে। সভাত উপস্থিত থকা শিক্ষকসকলে মাতৃভাষাৰ গুৰুত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যি বক্তব্য প্ৰদান কৰে ।




# মহাবিদ্যালয় সপ্তাহ-২০২৫






## মহাবিদ্যালয় সপ্তাহ-২০২৫

২৮ ফেব্ৰুৱাৰী,২০২৫ : প্ৰতিবছৰৰ দৰে ২০২৫ বৰ্ষৰ মহাবিদ্যালয়ৰ 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ' উলহ মালহেৰে পালন কৰা হয় । তিনিদিনীয়া অণুষ্ঠানটোৰ শেষৰ দিনটোত বিভিন্ন প্ৰতিযোগিতাত বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণ-পত্ৰ আৰু মেডেল প্ৰদান কৰা হয় ।

## মহাবিদ্যালয় সপ্তাহ ২০২৫

*সাংস্কৃতিক শোভাযাত্ৰা*

২৮ ফেব্ৰুৱাৰী, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ অন্তিম দিনত সাংস্কৃতিক শোভাযাত্ৰা প্ৰদৰ্শন কৰা হয় । মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগে আঁতধৰা এই শোভাযাত্ৰাত অসমীয়া সংস্কৃতিৰ বৈচিত্ৰ্য সম্পৰ্কে দেখুওৱাৰ প্ৰয়াস কৰা হয় ।

## মহাবিদ্যালয় সপ্তাহ ২০২৫

*শ্ৰেষ্ঠ সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগী বঁটা প্ৰদান :*



২০২৫-২৬ বৰ্ষৰ সাহিত্য আৰু সাংস্কৃতিক দুয়োটা বিভাগতে শ্ৰেষ্ঠ বিজয়ী সন্মান বুটলিবলৈ সক্ষম হয় পঞ্চম ষাণ্মাসিকৰ ছাত্ৰী শ্ৰীপূজা শইকীয়াই ।

## আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন

৮ মাৰ্চ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰা হয় ।




## ছাত্ৰ একতা সভাৰ সভাৰ সদস্যসকলক মহাবিদ্যালয়ৰ নাম ফলক প্ৰদান




২৩ এপ্ৰিল,২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন কৰা হয় । সভাত অসমীয়া বিভাগৰ অধ্যাপক সকলৰ লগতে দৰ্শন বিভাগ,ৰাজনীতি বিভাগ আৰু শিক্ষা বিভাগৰ অধ্যাপক ক্ৰমে দীপক বৰদলৈ, চাহজাহান আলী আৰু নজৰুল ইছলাম উপস্থিত থাকে । সভাত উপস্থিত থকা শিক্ষকসকলে মাতৃভাষাৰ গুৰুত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যি বক্তব্য প্ৰদান কৰে।




## শাৰীৰিক উদ্বুদ্ধকৰণ অনুষ্ঠান

৩ মে', ২০২৫ : ৩ মে', ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ উদ্যোগত মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপক কোষৰ সৌজন্যত "The Benefits of Yoga" শীৰ্ষক এখনি মানসিক আৰু শাৰীৰিক উদ্বুদ্ধকৰণ অনুষ্ঠান আয়োজন কৰা হয় । অনুষ্ঠানখনিত যোগ প্ৰশিক্ষক **** উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক যোগৰ উপযোগিতা আৰু কৌশলসমূহৰ প্ৰশিক্ষণ দিয়ে ।




## সজাগতা সভা

পদ্মশ্ৰী বিৰুবালা ৰাভাৰ মৃত্যুদিন পালন






১৩ মে', ২০২৫ : পদ্মশ্ৰী বিৰুবালা ৰাভাৰ মৃত্যুদিনৰ সৈতে সংগতি ৰাখি হাবিদ্যালয়ত অন্ধবিশ্বাস আৰু কু-সংস্কাৰ বিষয়ক এখনি সজাগতা সভা অনুষ্ঠিত কৰা হয় । মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকাসকলে বিৰুবালা ৰাভাৰ কৰ্মাৱলী স্মৰণ আৰু আৰু সমাজত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ ভয়ংকৰ দিশসমূহৰ বিষয়ে আঙুলিয়াই দি ছাত্ৰ-ছাত্ৰীক সজাগ হ'বলৈ আহ্বান কৰে ।

## বৃক্ষ ৰোপন কাৰ্য্যসূচী

৫ জুন, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় চৌহদত বৃক্ষৰোপন কৰে। মহাবিদ্যালয় চৌপাশ সেউজীয়া কৰাৰ লক্ষ্যৰে বিভিন্ন গছ পুলি ৰোপন কৰে ।




প্ৰকৃতি



## বিষ্ণুৰাভা দিৱস উদ্‌যাপন




২০ জুন,২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু অভ্যন্তৰীণ মূল্যায়ন কোষ (IQAC)ৰ সহযোগত বিষ্ণুৰাভা দিৱস উদ্‌যাপন কৰা হয় । কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু দিনটোত তেখেতক সশ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে অসমীয়া সাহিত্য সংস্কৃতিত তেখেতৰ বৰঙণি তথা অমূল্য দান সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰা হয় ।

## ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন

২৯ আগষ্ট, ২০২৫ : ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ উদ্যোগত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদ্‌যাপন কৰা হয় । মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নাছিমা আখটাৰাই সভাপতিত্ব কৰা অনুষ্ঠানখনৰ শিক্ষা বিভাগৰ মুৰব্বী কুদৰাত আলী আৰু IQACৰ সমন্বয়ক চাহাব উদ্দিন লস্কৰে ভাষণ আগবঢ়ায় ।




## পাঠ্যক্ৰম শুভাৰম্ভণি (Induction Program) অনুষ্ঠান

৫ আগষ্ট, ২০২৫ : মহাবিদ্যালয়ৰ প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক ৰবীন্দ্ৰনাথ বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ গাঁঠনি আৰু বাচনি সন্দৰ্ভত জ্ঞাত কৰিবলৈ Induction Program ৰ আয়োজন কৰা হয় । মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নাছিমা আখটাৰাই সভাপতিত্ব কৰা উক্ত সভাখনিত অধ্যাপক/অধ্যাপিকাসকলে বিষয় বাচনিৰ নিয়মাৱলী সন্দৰ্ভত সম্পূৰ্ণ বিশ্লেষণ আগবঢ়ায় ।



## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৭ সংখ্যক তিৰোভাৱ তিথি পালন




২৫ আগষ্ট, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সৌজন্যত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৭ সংখ্যক তিৰোভাৱ তিথি পালন কৰা হয় । বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে গুৰুজনাৰ অনুপম সৃষ্টি নাম-কীৰ্ত্তনেৰে তেখেতলৈ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে তেখেতৰ সাহিত্যৰাজিৰ সম্যক পৰিচয়ো দাঙি ধৰা হয় ।

## যোগাভ্যাস অনুশীলন অনুষ্ঠান



৩০, আগষ্ট,২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যোগাভ্যাসৰ অনুশীলন আৰু ইয়াৰ শাৰীৰিক প্ৰভাৱ সম্পৰ্কে সচেতনতা বৃদ্ধিৰ উদ্দেশ্যে এলানি কাৰ্য্যসূচী অনুষ্ঠিত হয় । এই কাৰ্য্যসূচীত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকসকলেও আগভাগ লয় ।

বাকৰিৰ বনফুল



## শিক্ষক দিৱস পালন

৫ চেপ্তেম্বৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত 'শিক্ষক দিৱস' অনুষ্ঠিত কৰে । মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই উদ্যোগ লোৱা এই অনুষ্ঠানত সৰ্বপল্লী ৰাধাকৃষ্ণনক সোঁৱৰণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে গুৰুসকলৰ আশীৰ্বাদ গ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি শিক্ষকসকলেও দিনটোৰ তাৎপৰ্য্য সম্পৰ্কে বক্তব্য প্ৰদান কৰি ছাত্ৰ জীৱনৰ কৰ্তব্য সম্পৰ্কে উনুকিয়াই দিয়ে।



## সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন



৮ চেপ্তেম্বৰ,২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপক কোষৰ সৌজন্যত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰা হয়। সুধাকণ্ঠ বিশেষ বক্তৃতানুষ্ঠানেৰে আৰম্ভণি কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জেংখা মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ সহকাৰী অধ্যাপক শ্ৰীকিৰণ কলিতা। দিনজোৰা কাৰ্য্যসূচীৰে আৰম্ভণি কৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভূপেন্দ্ৰ সংগীত, নৃত্য আৰু ড° ভূপেন হাজৰিকা বিষয়ক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয় আৰু বিজয়ী প্ৰতিযোগীসকলক একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

## বৃক্ষৰোপন কাৰ্য্যসূচী

*প্ৰকৃতি চাথ প্ৰগতিকে ও'ৰে*




১৯ চেপ্তেম্বৰ, ২০২৫ : ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ পৃষ্ঠপোষকতাত চৰকাৰী মহাবিদ্যালয়সমূহত বৃক্ষৰোপন কাৰ্য্যসূচীৰ সমান্তৰালকৈ আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়তো এই কাৰ্য্যসূচী সফলতাৰে সমাপন কৰা হয়।





## জুবিন গাৰ্গৰ বিয়োগত শোকসভা অনুষ্ঠিত

২০ চেপ্তেম্বৰ, ২০২৫: ভাৰত তথা অসমৰ জনপ্ৰিয় সংগীত শিল্পী,পৰিচালক, কথাছবি নিৰ্দেশক জুবিন গাৰ্গৰ যোৱা ১৯ চেপ্তেম্বৰত ছিংগাপুৰত আকস্মিক বিয়োগ ঘটে। তেখেতৰ মৃত্যুত সমগ্ৰ অসমতে স্বতঃস্ফূৰ্ত শোকৰ ছাঁ পৰে। আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰাও প্ৰয়াত জনশিল্পীগৰাকীৰ সৃষ্টিসমূহ সোঁৱৰণ কৰাৰ লগতে বেদেহ আত্মাৰ সদ্‌গতি কামনা কৰি অদৃশ্যজনাৰ ওচৰত মৌন প্ৰাৰ্থনা জনোৱা হয়।

## HIV/AIDS বিষয়ক এক সজাগতামূলক অনুষ্ঠান

২৫, চেপ্তেম্বৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ ৰেড ৰিবন ক্লাৱৰ সৌজন্যত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত HIV/AIDS সন্দৰ্ভত এক সজাগতা সৃষ্টিৰ বাবে দিনজোৰা কাৰ্য্যসূচীৰে এক অনুষ্ঠান আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ ৰেড ৰিবন ক্লাবৰ সমন্বয়ক তথা শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক ড° নাজবিন চালমা হুছেইনৰ তৎপৰতাত উদালীৰ ব্যস্ত পথত সচেতনতামূলক বাটৰ নাট প্ৰদৰ্শন কৰাৰ লগতে আমন্ত্ৰিত বিশিষ্ট চিকিৎসক ডাঃ ধনীৰাম বড়োৱে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি সজাগতামূলক বক্তৃতা আগবঢ়ায়।









## আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ত স্থায়ী অধ্যক্ষৰূপে ড° লক্ষীনন্দ বৰদলৈ নিযুক্তি



*অধ্যক্ষৰ আসনত ড° লক্ষীনন্দ বৰদলৈ*











## আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ত স্থায়ী অধ্যক্ষ নিযুক্তি

• • •

২৬ চেপ্তেম্বৰ, ২০২৫ :আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ত ইতিপূৰ্বে খালী হৈ থকা স্থায়ী অধ্যক্ষৰ পদত ড° লক্ষীনন্দ বৰদলৈয়ে যোগদান কৰে । ড° লক্ষীনন্দ বৰদলৈ নগাঁও জিলাৰ ধিং মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক হিচাপে কৰ্মৰত আছিল। ১৯৯৭ চনত স্থাপিত মহাবিদ্যালয়খনত মাননীয় ইদ্রিছ আলী বৰভূঞাই প্ৰাদেশীকিকৰণৰ আগমুহূৰ্তলৈকে অধ্যক্ষৰ পদ অলংকৃত কৰে । পৰৱৰ্তীসময়ত দৰ্শন বিভাগৰ সহকাৰী অধ্যাপিকা সবিতা ডেকা আৰু ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা নাছিমা আখটাৰাই ভাৰপ্ৰাপ্ত অধ্যক্ষৰ পদত কাৰ্য্যনিৰ্বাহ কৰে।

*****

## শুভেচ্ছা আৰু সম্বৰ্ধনা জ্ঞাপন

২৬ চেপ্তেম্বৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ নৱনিযুক্ত অধ্যক্ষ ড° লক্ষীনন্দ বৰদলৈক মহাবিদ্যালয়ৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য,শিক্ষক-কৰ্মচাৰীৰ লগতে স্থানীয় বিভিন্ন সংগঠনৰ সদস্যসকলে শুভেচ্ছা আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য ধিং মহাবিদ্যালয়ৰ এটি সঁজাতি দলেও নৱনিযুক্ত অধ্যক্ষগৰাকীক সম্বৰ্ধনা জনায়।

*****

## লংকা মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা *ড° লক্ষীনন্দ বৰদলৈ* ক সম্বৰ্ধনা জ্ঞাপন


লংকা মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ সহযোগী অধ্যাপিকা ড° সুপৰ্ণা নন্দী কৰ, সহকাৰী অধ্যাপক গজেন দৈমাৰী আৰু বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপিকা শিল্পীশিখা বৰুৱা উপস্থিত হৈ নৱনিযুক্ত অধ্যক্ষক শুভেচ্ছা আৰু সম্বৰ্ধনা জ্ঞাপন কৰে ।




*নৱাগত আদৰণি সভাৰ মুকলি সভাৰ দৃশ্য*

## নৱাগত আদৰণি সভা ২০২৫-২৬

১৫ অক্টোবৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ ২০২৫-২৬ বৰ্ষৰ নৱাগত আদৰণি সভাখন উলহ-মালহেৰে অনুষ্ঠিত হৈ যায়। ৰাতিপুৱা ৮-৩০ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে আৰম্ভণি হোৱা অনুষ্ঠানটোত বহুকেইগৰাকী নেতৃস্থানীয় লোক, শিক্ষাবিদ উপস্থিত থাকে। মুকলি সভা খনৰ পৰিচালক তথা সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ নৱনিযুক্ত অধ্যক্ষ ড° লক্ষীনন্দ বৰদলৈয়ে। অনুষ্ঠানখনত হোজাই জিলা পৰিষদৰ সভানেত্ৰী শ্ৰী যুতা জোনটি ভাগৱতী মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে বিশিষ্ট অতিথি হিচাপে উদালী অঞ্চলৰ শিক্ষাৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলক আমন্ত্ৰণ কৰা হয়। আবেলি অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত কণ্ঠশিল্পী সুৰজিৎ বিশ্বাস আৰু দীপ দৰ্পনে সংগীত পৰিৱেশন কৰে।


।। জয়তু আলহাজ সোনাই বিবি চৌধুৰী মহাবিদ্যালয় ।।

KNOWLEDGE IS POWER

নৱাগত আদৰণি সভা

আলহাজ সোনাই বিবি চৌধুৰী মহাবিদ্যালয়

উদালী বজাৰ ঃ হোজাই ঃ অসম

দিনাঙ্ক ঃ ইং ১৫ অক্টোবৰ, ২০২৫ (বুধবাৰ)

স্থান ঃ মহাবিদ্যালয়ৰ অস্থায়ী প্ৰেক্ষাগৃহ

প্ৰতি,

মাননীয়/মাননীয়া ..................

গোহাৰি

শ্ৰদ্ধাস্পদেষু,

নমস্কাৰ আৰু অভিনন্দন গ্ৰহণ কৰিব। ...

ধন্যবাদেৰে —

ভৱদীয় —

ড০ লক্ষীনন্দ বৰদলৈ (অধ্যক্ষ)

মোঃ আলফাজ উদ্দিন (সভাপতি, ছাত্ৰ একতা সভা) | শ্ৰী বিষ্ণু বড়ো (তত্বাৱধায়ক, ছাত্ৰ একতা সভা)

মোঃ মিকল ইছলাম (সম্পাদক, ছাত্ৰ একতা সভা) | মোঃ নজৰুল ইছলাম (তত্বাৱধায়ক, ছাত্ৰ একতা সভা)

**নৱাগত আদৰণি সভাত মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'নাহৰ' উন্মোচন**







## সামাজিক কৌশল আৰু ব্যক্তিত্ব বিকাশ শীৰ্ষক বিশেষ বক্তৃতানুষ্ঠান


২২ অক্টোবৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ Institution's Innovation Council (IIC) সৌজন্যত মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপন কোষ (IQAC)ৰ সহযোগত *Soft Skill and Personality Development* শীৰ্ষক এখনি বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানখনিত *Dalmia Institute of Knowledge and Skill Harnessing*, Lanka, Hojai,ৰ বিশেষজ্ঞ ব্যক্তি হিচাপে উপস্থিত থাকে শ্ৰীপ্ৰসেনজিৎ মহাজন।




## ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত

২৪ অক্টোবৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ ২০২৫-২৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হয়। ৰাতিপুৱা ৯ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীসকলে শান্তিপূৰ্ণভাৱে অংশগ্ৰহণ কৰে। আবেলি ৩ বজাৰ পৰা ভোট গণনা প্ৰক্ৰিয়া আৰম্ভ হয়। মহাবিদ্যালয়ৰ অধ্যক্ষই বিজয়ী সদস্যসকলৰ নাম ঘোষণা কৰি শান্তি শৃংখলা বজাই ৰখাৰ বাবে সকলোলৈ ধন্যবাদ জ্ঞাপন কৰে।

*ভোটগ্ৰহণৰ মুহূৰ্ত্তত*




*ভোট গণনাৰ মুহূৰ্ত্তত*




*নিৰ্বাচনৰ ফলাফল ঘোষণাৰ কৰি থকা মুহূৰ্ত্তত*



# নিযুত মাইনা -২০২৫ চেক্ বিতৰণ অনুষ্ঠান

২৭ অক্টোবৰ,২০২৫ : অসম চৰকাৰৰ "নিযুত মাইনা -২০২৫" চেক্ বিতৰণ অনুষ্ঠানৰ শুভাৰম্ভণি হৈ যায় । মহাবিদ্যালয়ত অসম চৰকাৰৰ হৈ উপস্থিত থাকে হোজাই নগৰ উন্নয়ন সমিতিৰ চেয়াৰমেন শ্ৰীপ্ৰণৱ ঘোষ ।

অসমৰ মুখ্যমন্ত্ৰীয়ে আঁচনিখন উদ্বোধন কৰি আগবঢ়োৱা ভাষণৰ লাইফ ষ্ট্ৰিমিং মহাবিদ্যালয়তো দেখুওৱা হয় ।









## ভাৰতীয় জ্ঞান পৰম্পৰা বিষয়ৰ বিশেষ বক্তৃতানুষ্ঠান

৪ নৱেম্বৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপন কোষ (IQAC)ৰ সৌজন্যত মহাবিদ্যালয়ৰ Institution's Innovation Council (IIC) আৰু R & Dৰ সহযোগত Indian Knowledge System বিষয়ক এখনি বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট উদ্ভিদবিদ, গৱেষক মঃ ৰহমত আলী।






## ২০২৫-২৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিজয়ী প্ৰাৰ্থীসকলৰ শপত গ্ৰহণ অনুষ্ঠান







মহাবিদ্যালয় পৰিয়ালে ৰোপন কৰা গছৰ ফল

## মহাবিদ্যালয়ত Cleanliness Drive

৭ নৱেম্বৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক কৰ্মচাৰীসকলে মহাবিদ্যালয়ৰ চৌপাশ প্লাষ্টিকমুক্ত পৰিষ্কাৰ কৰিবলৈ Cleanliness Drive আৰম্ভ কৰে।










## ৰাষ্ট্ৰগীত 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তী উদ্‌যপান



## তৰ্ক প্ৰতিযোগিতা

১০ নৱেম্বৰ, ২০২৫ : মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ উদ্যোগত "The importance of family in Education is bigger than School" বিষয়ত এখনি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় । প্ৰতিযোগিতাৰ শেষত বিজয়ী দলক প্ৰশংসা পত্ৰ প্ৰদান কৰা হয় ।








## ভোটদান সম্পৰ্কীয় সচেতনতামূলক অনুষ্ঠান

• • •

৮ নৱেম্বৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ Electral Literacy Forum আৰু ৰাজনীতি বিভাগৰ তত্বাৱধানত ভোটদান সম্পৰ্কীয় সচেতনতামূলক অনুষ্ঠান আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ নতুনকৈ ভোটদান অধিকাৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সচেতনতা বৃদ্ধি সম্পৰ্কীয় দিশবোৰ আলোকপাত কৰা হয়।







## ৰাষ্ট্ৰীয় শিক্ষা দিৱস উদ্‌যাপন

### মৌলানা আবুল কালাম আজাদৰ জন্মদিন পালন

• • •

১১ নৱেম্বৰ, ২০২৫ : স্বাধীন ভাৰতৰ প্ৰথমগৰাকী শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদৰ জন্মদিনটোৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে পালন কৰি অহা ৰাষ্ট্ৰীয় শিক্ষা দিৱস মহাবিদ্যালয়তো পালন কৰা হয়। AI In Education শীৰ্ষক আলোচনাচক্ৰখনিত মহাবিদ্যালয়ৰ কেইবাগৰাকীও শিক্ষকে এই সন্দৰ্ভত বক্তব্য প্ৰদান কৰে ।




## 'ৰাষ্ট্ৰীয় উদ্যোগীকৰণ দিন' পালন

• • •

১৮ নৱেম্বৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ IIC (Institution's Innovation Council)ৰ উদ্যোগত National Entrepreneurship Day পালন কৰা হয়। অনুষ্ঠানত সফল ব্যক্তি হিচাপে উপস্থিত থাকে উদালী অঞ্চলত নিজা উদ্যোগীকৰণেৰে প্ৰতিষ্ঠা লাভ কৰা শিক্ষিত যুৱক মঃ মুৰাদ আহমেদ।








## সচেতনতামূলক অনুষ্ঠান

১৯ নৱেম্বৰ, ২০২৫ : পদপথৰ কুকুৰৰ পৰা সাৱধানতামূলক ব্যৱস্থা আৰু কুকুৰে কামুৰিলে তাৰ প্ৰাথমিক চিকিৎসা সম্বন্ধীয় এক অনুষ্ঠান আয়োজন কৰা হয় । ছাত্ৰ-ছাত্ৰীসকলক এই বিষয়ে বিভিন্ন পৰামৰ্শ আৰু তাৎক্ষণিক ব্যৱস্থা সম্পৰ্কে অৱগত কৰা হয়।








## "My Story Motivation Session" শীৰ্ষক বক্তৃতা

১৯ নৱেম্বৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ IIC (Institution's Innovation Council)ৰ উদ্যোগত মহাবিদ্যালয়ৰ R&D ৰ সহযোগত এক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। বক্তৃতানুষ্ঠানত সফল ব্যক্তি হিচাপে উপস্থিত থাকে উদালী বৰদৈপথাৰ অঞ্চলত নিজা উদ্যোগীকৰণেৰে প্ৰতিষ্ঠা লাভ কৰা হিমালয়া নাৰ্চাৰীৰ স্বত্বাধিকাৰী শিক্ষিত যুৱক মঃ হুৰমত আলী লস্কৰ।



## নিচামুক্তিৰ সচেতনতামূলক অনুষ্ঠান

২১ নৱেম্বৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপন কোষ (IQAC)ৰ উদ্যোগত মহাবিদ্যালয়ৰ এন্টি ড্ৰাগ কমিটিৰ সহযোগত "এন্টি ড্ৰাগ এৱেৰনেচ প্ৰগ্ৰেম" অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক নিচা মুক্তি সচেতনতা বৃদ্ধিৰ সন্দৰ্ভত অৱগত কৰা হোৱাৰ লগতে উদালী বজাৰলৈ এক সমদল উলিওৱা হয়।






## কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়(KKHSOU)ৰ অধ্যয়ন কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ

১১ ডিচেম্বৰ, ২০২৫ : আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়(KKHSOU)ৰ অধ্যয়ন কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ কৰে। স্নাতক(BA) আৰু স্নাতকোত্তৰ(MA) দুয়োটা মহলাৰে অধ্যয়ন কেন্দ্ৰৰ স্বীকৃতি লাভ কৰে । KKHSOU ৰ অধ্যয়ন কেন্দ্ৰ পঞ্জীয়ক ড° বিৰিঞ্চি বৰুৱাই যাৱতীয় প্ৰমাণ পত্ৰসমূহ মহাবিদ্যালয়ৰ অধ্যক্ষ ড°লক্ষীনন্দ বৰদলৈক হস্তান্তৰ কৰে আৰু বিশ্ববিদ্যালয়খনৰে সৈতে এখনি MoU চুক্তি সম্পন্ন হয়।







## Learning Management System বিষয়ত Orientation অনুষ্ঠান

১২ ডিচেম্বৰ, ২০২৫ : মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত গুৱাহাটীস্থিত এচ.এচ. টেক্‌নোল'জিৰ সহযোগত Lerning Management System বিষয়ক এটি এদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে S.S. Technology ৰ বিশেষজ্ঞ সদস্য মাননীয় শ্ৰী নবাৰুণ মিশ্ৰ, বি.ই (ই.ই) উপস্থিত থাকে । অনুষ্ঠান উপস্থিত থকা প্ৰতিগৰাকী অংশগ্ৰহণকাৰীক একোখনকৈ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।




## মহাবিদ্যালয়ৰ ৱেব চাইট অনুষ্ঠানিক মুকলি

১২ ডিচেম্বৰ, ২০২৫ : অনুষ্ঠানত S.S. Technology ৰ সদস্য শ্ৰীনবাৰুণ মিশ্ৰ, বি.ই (ই.ই) ই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীসকলৰ উপস্থিতিত আনুষ্ঠানিকভাৱে মুকলি কৰা হয় ।




## ছহিদ দিৱস পালন

১০ ডিচেম্বৰ, ২০২৬ : ঐতিহাসিক অসম আন্দোলনৰ প্ৰথমগৰাকী ছহিদ খৰ্গেশ্বৰ তালুকদাৰ আত্মবলিদানৰ দিনটোত মহাবিদ্যালয়ৰ পৰিয়ালে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে ।




## Stress Management সম্পৰ্কীয় কৰ্মশালা অনুষ্ঠিত

১৯ ডিচেম্বৰ, ২০২৬ : মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত উদালী ছিনিয়ৰ ছেকেণ্ডাৰীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত Stress Management সম্পৰ্কীয় এক কৰ্মশালা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত মহাবিদ্যা-লয়ৰ মহিলাকোষৰ সদস্যা-সকল সমল ব্যক্তি হিচাপে উপস্থিত থাকে।






## KKHSOU অধ্যয়ন কেন্দ্ৰৰ শুভ উদ্বোধনী অনুষ্ঠান

• • •

১ জানুৱাৰী, ২০২৬ : আলহাজ সোনাই বিবি চৌধুৰী মহাবিদ্যলয়ৰ KKHSOU অধ্যয়ন কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি মাননীয় মুস্তাক আহমেদ আনফৰ আলী।




## ৰবীন্দ্ৰনাথ বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ নৃত্য প্ৰদৰ্শন

২৮ জানুৱাৰী, ২০২৬ : ৰবীন্দ্ৰনাথ বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে এটি বাৰেৰহণীয়া নৃত্য প্ৰদৰ্শন কৰে। মহাবিদ্যলয়ৰ সাংস্কৃতিক কোষৰ আহ্বায়ক অধ্যাপক ৰিংকু বড়োৰ তত্বাৱধানত যোৱা ছাত্ৰীসকলক বিশ্ববিদ্যালয়ে একোখনকৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰে।




## কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰ আৰু পাঠ্যক্ৰমৰ বেনাৰ সংস্থাপন








## নৈতিক ভোটদান সম্পৰ্কীয় আলোচনাচক্ৰ

• • •

২৪ জানুৱাৰী, ২০২৬ : হোজাই জিলা নিৰ্বাচনীৰ এচ.ভি.ই.পি.(Systematic Voters Education and Electoral Participation)উদ্যোগত নৈতি ভোটদান সম্পৰ্কীয় এখনি আলোচনাচক্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানত হোজাই প্ৰশাসনৰ ফালৰ পৰা কণিষ্ঠ অভিযন্তা মাধূৰ্য্য বিকাশ বৰুৱা আৰু মনময়ুৰী বৰুৱা উপস্থিত থাকে।







## মহাবিদ্যালয় সপ্তাহ-২০২৬

৪ ফেব্ৰুৱাৰী, ২০২৬ : মহাবিদ্যালয়ৰ ২০২৬-২৭ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভণি হয়। মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয়।







## ক্ৰীড়া পতাকা উত্তোলনেৰে মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণি

## সাংস্কৃতিক শোভাযাত্ৰা

৭ ফেব্ৰুৱাৰী, ২০২৬ : মহাবিদ্যালয় সপ্তাহ ২০২৬ ৰ অন্তিম দিনটোত সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতামূলক শোভাযাত্ৰাৰ পৰিশেষত বিচাৰকৰ দ্বাৰা নিৰ্বাচন কৰি উলিওৱা হয়। উদালী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ মঃ নুৰুল ইছলাম বিচাৰক হিচাপে উপস্থিত থাকে। ফলাফল অনুসৰি অসমীয়া বিভাগে প্ৰথম বিজয়ী সন্মান লাভ কৰে, শিক্ষা বিভাগে দ্বিতীয়,ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিবিজ্ঞান বিভাগে যুতীয়াভাৱে তৃতীয় স্থান লাভ কৰে।





## প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ প্ৰথম বিজয়ী


অসমীয়া বিভাগ



শিক্ষা বিভাগ

## প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ দ্বিতীয় বিজয়ী


দৰ্শন বিভাগ


ৰাজনীতি বিজ্ঞান বিভাগ

তৃতীয় স্থান
ইংৰাজী বিভাগ



উদগনিমূলক পুৰস্কাৰ
অৰ্থনীতি বিজ্ঞান বিভাগ



উদগনিমূলক পুৰস্কাৰ
ইতিহাস বিভাগ



## ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন

২৮ ফেব্ৰুৱাৰী, ২০২৬ : ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস-২০২৬ মহবিদ্যালয়ত অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ Institutions Innovation Council (IIC)য়ে আয়োজন কৰা এই অনুষ্ঠানত সমল বক্তা হিচাপে ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক গিয়াছ উদ্দিন আৰু অৱসৰী শিক্ষক মাননীয় বুৰহান উদ্দিন উপস্থিত থাকে।



## মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনিৰ শুভাৰম্ভণি

২৬ ফেব্ৰুৱাৰী, ২০২৬ : মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনিৰ অধীনতে কেন্দ্ৰীয় অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰৰ লাইভ ষ্ট্ৰিমিং দেখুওৱা হয়।



## উদালী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সৈতে বুজাবুজি চুক্তি (MoU) সম্পন্ন



# মহাবিদ্যালয়ৰ গৌৰৱ


राष्ट्रीय मूल्यांकन एवं प्रत्यायन परिषद
NATIONAL ASSESSMENT AND ACCREDITATION COUNCIL
An Autonomous Institution of the University Grants Commission
Certificate of Accreditation
The Executive Committee of the
National Assessment and Accreditation Council
is pleased to declare
Alhaz Sunai Bibi Choudhury College
Vill. Barjoha Gaon, Udali Bazar, Lanka, Dist. Nagaon,
affiliated to Gauhati University, Assam as
Accredited
with CGPA of 2.31 on four point scale
at B grade
valid up to April 05, 2029
Date : April 06, 2024
Director

## NAACৰ মূল্যাংকনত "B" গ্ৰেড লাভ

### বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান অধিকাৰ



আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ শিক্ষা বিভাগ (Department of Education)ৰ ছাত্ৰী ইলিমা চিদ্দিকাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ২০২৫ বৰ্ষৰ স্নাতক B.A. (Arts)(কলা শাখাৰ)পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰি শিক্ষা বিভাগৰ লগতে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

### ডক্টৰেট ডিগ্ৰী লাভ



মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা আৰিফা আৰিফ লাইলাই বিহাৰৰ BRABU Bihar Universityৰ পৰা "Land Tenure System in North East India A Constraint for Bank Financing শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰে।

### ডক্টৰেট ডিগ্ৰী লাভ



মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা নাজবিন চালমা হুছেইনে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পৰা Juvenile Delinquency: A study on the socio-Economic influences Causes and Rehabilitation Facilities for positive Development in the Observation Homes of Assam. শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰে।

## FROM IQAC DESK



*Sahab Uddin Laskar*
*Coordinator, IQAC*
*Assistant Professor*
*Department of English*

This is our privileged pride that we are creating a newsletter for the institution ASBC COLLEGE. It is a great way to keep stakeholders informed and engaged. Our institution newsletter is featured with authentic, comprehensive, and chronological order of the events that share updates, achievements, and news with stakeholders. It also fosters a sense of community and encourage participation along with disseminating information. It leaves a record of all general and specific(departmental) observational days observed which brief out a significant shadow of Co-scholastic mileage and becomes and an embodiment of sheer memory and nostalgia. After all newsletters area big deal in institutions that fosters community by connecting students, staff, and alumni.

## সম্পাদকীয়

যিকোনো এখন কাকত বা আলোচনীৰ সম্পাদনাৰ দৰে গধুৰ দায়িত্ব এটা পালন কৰিবলৈ ইচ্ছা আকাংক্ষাৰ লগতে প্ৰচুৰ পৰিমানে ধৈৰ্য্যৰ প্ৰয়োজন। তাতে এখন মহাবিদ্যালয়ৰ এবছৰতকৈয়ো অধিক সময়ৰ অনুষ্ঠানখনৰ দৈনিক ক্ৰিয়া কলাপক প্ৰামাণিক ফটোসহ নিয়াৰিকৈ আগবঢ়াই লৈ যোৱাতো যথেষ্ট প্ৰত্যাহ্বান আছে। আলহাজ সোণাই বিবি চৌধুৰী মহাবিদ্যালয়ৰ 'নিউজ লেটাৰ' এখনৰ প্ৰয়োজন অনুভৱ কৰি বিগত ২০২৩-২৪ বৰ্ষতে আমি এক প্ৰয়াস লৈছিলোঁ। অৱশ্যে এই প্ৰয়াস আমাৰ কেইজনমানৰ মাজতে ৰৈ গৈছিল। যোৱা বৰ্ষৰ অন্তিম ফালে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে এই গুৰু দায়িত্ব ভাগ পুনশ্চঃ প্ৰদান কৰাত আমাৰ সীমাবদ্ধতাৰে প্ৰস্তুত কৰি উলিয়াবলৈ চেষ্টা কৰিছোঁ। এই চেষ্টাত অজস্ৰ খুট আছে তাক আগতীয়াকৈ স্বীকাৰ কৰি মাৰ্জনা আৰু পৰামৰ্শ বিচাৰিছোঁ। ৰ'দ-কাঁচলি নামটোৰে ৰাতিপুৱাৰ নপকা ৰ'দ অৰ্থাৎ কোমলসনা ৰ'দৰ কথাৰে আমাৰ মহাবিদ্যালয়ৰ এই প্ৰথম প্ৰয়াসক বুজাব বিচৰা হৈছে। নিউজ লেটাৰ যিহেতু প্ৰতিটো শিক্ষাবৰ্ষতে প্ৰকাশ কৰা হয় গতিকে অনাগত দিনবোৰতো এই পৰম্পৰা অৱধাৰিতভাৱে চলি থাকিব। নিউজ লেটাৰখনৰ প্ৰথম পৃষ্ঠাত অধ্যক্ষ মহোদয়ৰ শুভেচ্ছাবাণী প্ৰকাশ কৰা হৈছে। প্ৰতিটো পৃষ্ঠাৰ শেষৰ 'বাৰ'ত একোটাকৈ শিক্ষা নতুবা জ্ঞান বিষয়ক মহৎ লোকৰ বাণী সংযোজন কৰা হৈছে। মাজে মাজে ৰৈ যোৱা স্থানবোৰত মহাবিদ্যালয় চৌপাশৰ নান্দনিক দৃশ্যাৱলী দাঙি ধৰা হৈছে। মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানসমূহৰ ফটোসমূহ সজতনে আৰু শৃংখলিত ৰূপত নথকাৰ বাবে বহুকেইটা অনুষ্ঠানৰ পৰিষ্কাৰ ফটো সংযোজিত কৰিব পৰা নগ'ল। সদৌ শেষত এই কৰ্মটিৰ স'তে জড়িত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, সহকাৰী সম্পাদকদ্বয় তথা মহাবিদ্যালয় পৰিয়ালৰ সকলো সদস্যলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাই ৰ'দ- কাঁচলিৰ উত্তৰোত্তৰ সুন্দৰ কামনা কৰিলোঁ।

ফেব্ৰুৱাৰী-২৬